ৰূপালী জয়ন্তী
২০০১-২০২৫
RNI Regn. No- ASSASS/2011/38477
নিৰ্ভীক, নিৰপে...
# অসমীয়া খবৰ
গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❑ যোৰহাট সংস্কৰণ ❑ মুঠ পৃষ্ঠা ১২
০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ পঞ্চদশ বছৰ সংখ্যা ৬ সোমবাৰ ৩০ কাতি ১৯৪৭ শক ১৭ নবেম্বৰ ২০২৫ চন ASOMIYA KHABAR JORHAT MONDAY 17 NOVEMBER 2025 দাম: ৭.০০ টকা

### আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন কথাছবি সমালোচক, কোৰিয়ান সাহিত্যিক চিয়ক ইয়ঙ চাঙৰ অংশগ্ৰহণ

## কানৈ মহাবিদ্যালয়ত অসম সাহিত্য সভাৰ মৈত্ৰীবন্ধন অনুষ্ঠান

ষ্টাফ্ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ১৬ নৱেম্বৰ ঃ অসম সাহিত্য সভাৰ অধীনৰ এক শক্তিশালী উপ-সমিতিৰূপে ইতিমধ্যে খ্যাতি অৰ্জা আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতি, কানৈ মহাবিদ্যালয়ৰ শতদল শাখা সাহিত্য সভা, কানৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা, স্বেচ্ছাসেৱী অনুষ্ঠান 'ছীল'ৰ উদ্যোগত বৰ্ণাঢ্য সাংস্কৃতিক আৰু শৈক্ষিক বিনিময় কাৰ্যসূচী অনুষ্ঠিত হয়। ১৪ নৱেম্বৰৰ সন্ধিয়া ৬-৩০ বজাত অনুষ্ঠিত হোৱা এই কাৰ্যসূচীত দক্ষিণ কোৰিয়াৰ প্ৰথিতযশা লেখক-সাহিত্যিক, কবি, অনুবাদক, কথাছবি সমালোচক, দক্ষিণ কোৰিয়াৰ অনেক জনপ্ৰিয় বঁটা, সন্মানেৰে বিভূষিত চিয়ক ইয়ং চাং, অসমৰ সাংবাদিক, লেখক, কবি, কথাছবিৰ সমালোচক মনোজ বৰপূজাৰী, অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক তথা কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধ্যাপক, মৈত্ৰীবন্ধন উপ-সমিতিৰ কাৰ্যকৰী সভাপতি ড° সুৰজিত বৰকটকী, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱা, সমাজকৰ্মী ইন্দ্ৰ গগৈ, টেঙাখাত মহাবিদ্যালয়ৰ অধ্যক্ষ যতীন গগৈ, প্ৰাক্তন অধ্যাপিকা অঞ্জলি বৰুৱা, অধ্যাপিকা ড° নিৰ্মালি পেগু, উৰ্মিলা বামছিয়াৰী, অধ্যাপক ড° জ্যোতি প্ৰসাদ ফুকন, আদিত্য দাহালকে ধৰি দেশৰ ভিন্ন প্ৰান্তৰ ৯ খন ৰাজ্যৰ প্ৰতিনিধিসহ কেইবাশতাধিক দৰ্শক-শ্ৰোতা উপস্থিত থাকে। দক্ষিণ কোৰিয়াৰ সাহিত্যিকগৰাকীৰ লগতে দেশৰ বিভিন্ন প্ৰান্তৰপৰা অহা প্ৰতিনিধিসকলক অসমৰ বৰণ্য সংস্কৃতি গয়ন-বায়ন, বিহু, মিচিং নৃত্যৰে মুখ্যদ্বাৰৰ পৰা আদৰি অনা হয়। কানৈ মহাবিদ্যালয় চৌহদৰ সেউজীয়া বাকৰিত নিয়ন লাইটৰ পোহৰত অনুষ্ঠিত হোৱা সাংস্কৃতিক বিনিময় কাৰ্যসূচীত কোৰিয়ান সাহিত্যিকগৰাকীয়ে এয়া তেওঁৰ জীৱনৰ অনন্য অনুভৱ, স্মৃতিৰ সাচতীয়া দলিল বুলি উল্লেখ কৰি উদ্যোক্তাসকলৰ এনে কাৰ্যসূচীক ধন্যবাদ জ্ঞাপন কৰে। সভাত দেশৰ ক্ৰমে পশ্চিম মহাৰাষ্ট্ৰ, কংকান, ছট্টিশগড়, কাশী, উত্তৰ বিহাৰ, ব্ৰজ, তেলেংগানা, দক্ষিণ কৰ্ণাটক আৰু হিমাচল প্ৰদেশৰপৰা দুগৰাকীকৈ মহিলা সদস্যাসহ মুঠ ৯ গৰাকী প্ৰতিনিধিয়ে তেওঁলোকৰ অনুভৱ ব্যক্ত কৰে। প্ৰতিনিধিসকলে মহাবিদ্যালয়খনৰ লগতে অন্যান্য উদ্যোক্তাসকলকো এনে কাৰ্যসূচীৰ বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে। সভাত সাংবাদিক, কথাছবিৰ সমালোচক, কবি, সাহিত্যিক মনোজ বৰপূজাৰীয়েও সাংস্কৃতিক বিনিময় তথা শৈক্ষিক বিনিময় কাৰ্যসূচীৰে সমাজৰ বিভিন্ন শ্ৰেণীৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ মানুহৰ মাজত কটকটীয়া সম্পৰ্ক গঢ়ি তুলিব পাৰে বুলি উল্লেখ কৰে। তেওঁক এনে কাৰ্যসূচীত অংশগ্ৰহণৰ সুযোগ দিয়াৰ বাবে অধ্যক্ষ ড° শশীকান্ত শইকীয়াক ধন্যবাদ জ্ঞাপন কৰে। কানৈ মহাবিদ্যালয় শাখা সাহিত্য সভাৰ সভানেত্ৰী ড° তৃষত্তা দুৱৰা কলিতাই পৰিচালনা কৰা কাৰ্যসূচী 'চিৰ চেনেহী মোৰ ভাষা জননী' আৰু কানৈ মহাবিদ্যালয়ৰ সংগীতেৰে শুভাৰম্ভ কৰে। উল্লেখ্য যে কোৰিয়ান সাহিত্যিকগৰাকীয়ে দেশৰ ভিন্ন প্ৰান্তৰ পৰা অহা ৯ গৰাকীকৈ প্ৰতিনিধি, কানৈ মহাবিদ্যালয় শাখা সাহিত্য সভাৰ সদস্যসকল, ছাত্ৰ-ছাত্ৰীসকলৰ সতে বিহু নৃত্যত অংশ গ্ৰহণ কৰাটো আছিল অনন্য আৰু অনুপম। সাহিত্য সভাৰ মৈত্ৰী বন্ধনৰ এনে কাৰ্যসূচীয়ে উপস্থিত সকলোকে মুগ্ধ কৰে।